পৰাই।

শৈৱ ধৰ্ম ঃ

শৈৱ ধৰ্ম প্ৰাক্‌বৈদিক যুগতেই আবিৰ্ভাৱ হৈছিল। ক্ৰমাৎ এই ধৰ্মই ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰে। বিষ্ণুৰ দৰেই শিৱ আৰু ব্ৰহ্মাৰ লগত অভিন্ন হিচাপে গৃহীত। শৈৱ ধৰ্ম বহু আৰু বিচিত্ৰ ধাৰাৰ সমন্বয়ৰ ইতিহাস। শৈৱ ধৰ্মৰ প্ৰধান দেৱতা শিৱ। অৱশ্যে শিৱলিংগৰ পূজাও অত্যন্ত জনপ্ৰিয়।

প্ৰাক্-বৈদিক যুগৰ হৰপ্পা সভ্যতাত লিংগ আৰু যোনি পূজাৰ যি ইংগিত পোৱা গৈছে ই পৰৱৰ্তী কালৰ শিৱ আৰু শক্তিৰ ধাৰণাৰ পূৰ্বাভাস বুলি ক'ব পাৰি। মহেঞ্জোদাৰোত প্ৰাপ্ত এটি ছীল-মোহৰত দুটা শিংসহ তিনিমুখবিশিষ্ট আৰু পশুবেষ্টিত যোগাসনত উপৱিষ্ট যি মূৰ্তি দেখা যায় সেইয়া আদিপশুপতি (Proto Siva) বুলি অনুমান কৰা হয়। ঋক্‌বেদৰ ৰুদ্ৰ পৰৱৰ্তী কালৰ শৈৱ বুলিও ধৰা হয়। ঋক্‌বেদৰ ৰুদ্ৰ ভয়ংকৰ দেৱতা। অথৰ্ববেদত শিৱৰ বিভিন্ন নাম পোৱা গৈছে; ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল ৰুদ্ৰ, শৰ্ব, উগ্ৰ, ভৱ, পশুপতি, মহাদেৱ ইত্যাদি। শ্বেতাশ্বতৰ উপনিষদত ৰুদ্ৰকে সৰ্বপ্ৰধান দেৱতা আৰু একেশ্বৰ হিচাপে কল্পনা কৰা হৈছে। আৰু কোৱা হৈছে তেওঁ প্ৰকৃতিৰূপা মায়াৰ অধীশ্বৰ আৰু এই বিশ্বভুৱন তেওঁৰ অৱয়বৰ দ্বাৰা পৰিব্যাপ্ত।

শিৱৰ এহাতত ত্ৰিশূল আৰু আনখন হাতত ডম্বৰু। এফালে ধ্বংস আৰু আনকালে সুন্দৰৰ সৃষ্টি আৰু আনন্দময়তাৰ প্ৰতীক। কঁকালত বাঘৰ ছাল, গাত ভস্ম, শিৰত জঁটা, সকলো ভূত-প্ৰেত তথা পিশাচ-পিশাচী সহচৰ, বাহন বৃষভ। শিৱৰ এই ৰূপটো লৌকিক আৰু পৌৰাণিকো। উত্তৰ ভাৰত, বিশেষকৈ পঞ্জাবৰ পঞ্চনদী এলেকাত এক বিশিষ্ট সভ্যতা গঢ়ি তোলা আৰ্যসকলে শিৱ সমাৰ্থক দেৱতাৰ ধাৰণা সিন্ধু সভ্যতাৰ কাৰিকৰসকলৰ পৰা গ্ৰহণ কৰিছিল বুলি কেইবাগৰাকী পণ্ডিতে উল্লেখ কৰিছে। পূব ভাৰতৰ তথা উত্তৰ-পূব ভাৰতৰ শিৱ মূলতঃ অনাৰ্য উৎসৰ আটাইতকৈ প্ৰভাৱশালী আৰু শক্তিশালী দেৱতা। আৰ্যসকলৰ শিৱ, শম্ভু, শংকৰ তথা মহাদেৱ নামেৰে অভিহিত হোৱাৰ আগতে বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন

Scanned with CamScanner

নামেৰে প্ৰজনন বা উৰ্বৰতা পুৰুষ দেৱতাৰ প্ৰতীক লিংগ, সিজুগছ তথা সৰ্প (নাগ)ৰ প্ৰতীকৰ বহুলভিত্তিক পূজা কৰাৰ নিদৰ্শন আছে।

শিৱৰ লগত জড়িত বহুল প্ৰচলিত আখ্যানসমূহৰ ভিতৰত অন্যতম অমৃত মন্থনত বাসুকী নাগ হ'ল অমৃত মন্থনৰ জৰী। এই নাগ এফালে বিষ্ণুৰ শয্যা, আনহাতে শিৱৰ কণ্ঠমালা। মহাকাব্যিক যুগতো ৰুদ্ৰ আৰু শিৱৰ উল্লেখ আছে। ৰামায়ণত শিৱক বহু নামেৰে অভিহিত কৰিছে; সেইবোৰ হ'ল— মহাদেৱ, ৰুদ্ৰ, ত্ৰৈম্বক, সিতিকণ্ঠ, পশুপতি আৰু শংকৰ। আন আন কাহিনীবিলাকৰ ভিতৰত উমা আৰু ৰুদ্ৰৰ বিবাহ, কাৰ্তিকৰ জন্ম, ৰজা ভগীৰথৰ শিৱ সাধনা আৰু গংগাৰ জন্ম, শিৱৰ হলাহল পান, অন্ধক আৰু ত্ৰিপুৰাসুৰ নিধন, দক্ষৰ যজ্ঞভংগ আদি। মহাভাৰত-ৰামায়ণত বিষ্ণু আৰু শিৱক সমান মৰ্যাদা বা শক্তি দেৱতা বা অভিন্ন দেৱতা হিচাপে স্থান দিয়া হৈছে। ই ধৰ্মনিৰপেক্ষতা আৰু বিশ্বজনীনতাৰ কথা সূচায়।

পৌৰাণিক যুগতে শৈৱ, পাশুপাত, কালদমন আৰু কাপালিক— এই চাৰিটা শৈৱমত সৃষ্টি হৈছিল। এইবোৰৰ ভিতৰত পাশুপাত মতকেই পুৰণি বুলি মহাভাৰতত উল্লেখ আছে। নকুলীশ বা লকুলীশক পাশুপাত মতৰ স্ৰষ্টা বুলি কোৱা হয়। নকুলীশক শিৱৰ অষ্টাদশ অৱতাৰৰ ভিতৰত প্ৰথম অৱতাৰ বুলি ধৰা হয়। কাবাৰোহণ বা কায়াবৰোহণ নামে ঠাইত জন্মগ্ৰহণ কৰা নকুলীশৰ গ্ৰন্থ পঞ্চাধ্যায়ী বা পঞ্চাৰ্থবিদ্যাত পাশুপাত ধৰ্মৰ বিষয়ে আলোচনা কৰিছে। নকুলীশ প্ৰৱৰ্তিত ধৰ্মৰ আৰম্ভণি কাল খ্ৰীঃ দ্বিতীয় শতিকামান বুলি অনুমান কৰা হয়। কুশান ৰজা হুবিষ্কৰ দিনৰ ভাস্কৰ্যত নকুলীশ শিৱৰ মূৰ চুলিৰে ঢাক খাই থকা, বাওঁহাতত দণ্ডাধাৰী মূৰ্তি থকা বুলি জনা যায়। বাওঁহাতত দণ্ডাধাৰী শিৱৰ ভালেমান মূৰ্তি ৰাজস্থান আৰু গুজৰাটত উদ্ধাৰ হৈছে। পশুপতি শব্দৰ অৰ্থ এই মত অনুসৰি পশুৰ লগত জড়িত। পশুৰ সৃষ্টি, সংহাৰ আৰু অনুগ্ৰহ কৰোঁতা হ'ল— শিৱ। গতিকে শিৱ হ'ল জীৱগতি বা পশুপতি। পাশুপাতসকলৰ বিধি বা ধৰ্মাচৰণ আৰু উপাসনা পদ্ধতি আশ্চৰ্যকৰ। নচা, গোৱা, গাত ভস্ম সনা, ভস্মস্নান, ভস্মশয়ন, ত্ৰিশূল লোৱা, ডম্বৰু লোৱা ইত্যাদি। পাশুপাত মতত দুখৰ অন্ত বা নিবৃত্তিক দুঃখান্ত বোলা হয়। দুঃখান্ত তিনি প্ৰকাৰৰ— আধিভৌতিক, আধিদৈৱিক আৰু আধ্যাত্মিক। দুঃখান্তৰ বাবে মল দূৰ হোৱা প্ৰয়োজন। এই মল হ'ল মিথ্যা জ্ঞান, অধৰ্ম, আসক্তিৰ কাৰণ, ৰুদ্ৰ তত্ত্বৰ পৰা চিত্ত বিচলিত হোৱা বা চ্যুতি বা পশুত্ব। এইবিলাকেই হ'ল মল। শৰণাগতিক দুঃখান্তৰ শ্ৰেষ্ঠতম পথ বুলি গণ্য কৰা হয়।

Scanned with CamScanner

গতিকে ভক্তি আৰু শৰণক মোক্ষৰ শ্ৰেষ্ঠতম পথ বুলি বিবেচনা কৰাটো পাশুপাত মত প্ৰৱৰ্তিত এক ভক্তিমাৰ্গ।

পাশুপাতৰ বাহিৰেও এই যুগত প্ৰচলিত আন দুই শৈৱমত হ'ল কালমুখ আৰু কাপালিক মত। নৰমুণ্ড বা লাওখোলাত ভোজন কৰা, চিতাভস্ম গাত সনা, ভস্ম ভক্ষণ কৰা, হাতত মদিৰা পাত্ৰ লৈ ফুৰাৰ উপৰি ত্ৰিশূলযুক্ত দণ্ড লৈ থকা বাবে এই কালমুখ আৰু কাপালিক সাধকসকলৰ আৱয়বিক মূৰ্তিটোৱেই শৈৱ সাধকৰ মূৰ্তি বুলি জন মানসত স্থান পাইছিল। এই দুটা যে অবৈদিক মূলৰ পৰা অহা সেই সম্পৰ্কে অনুমান কৰাৰ যথেষ্ট অৱকাশ আছে।

শৈৱ ধৰ্মৰ একমাত্ৰ কেন্দ্ৰীয় চৰিত্ৰ হ'ল শিৱ। শিৱক ভূত-প্ৰেত ইত্যাদিয়ে ঘেৰি থাকে। তেওঁ সৰ্বধ্বংসী মহাকাল, আনহাতে তেওঁ মহান সন্ন্যাসী, যোগী, কৈলাস পৰ্বতত ধ্যানমগ্ন হৈ থাকে। এই ধ্যান যোগে তেওঁ সৃষ্টি ৰক্ষা কৰিছে। তেওঁৰ মূৰত দীৰ্ঘ জঁটা, জঁটাৰ মাজৰ পৰা গংগা প্ৰবাহিত। তেওঁৰ তৃতীয় নয়ন গভীৰ জ্ঞান আৰু অন্তৰ্দৃষ্টিৰ পৰিচায়ক। সমুদ্ৰ মন্থনত উত্থিত গৰল তেওঁ পান কৰি জীৱকুলৰ ৰক্ষা কৰিছিল আৰু নীলকণ্ঠ নামে পৰিচিত হৈছিল। সৰ্পই তেওঁৰ বাহু আৰু ডিঙিত মেৰিয়াই থাকে। দেহ ভস্মৰে লেপিত। ইয়াৰ উপৰি তেওঁৰ ওচৰত থাকে ত্ৰিশূল, পত্নী উমা আৰু বাহন নন্দী বা বৃষভ। তেওঁ নটৰাজও। তামিল অঞ্চলত এই নটৰাজ মূৰ্তি বিশেষ জনপ্ৰিয়। শিৱ ১০৮ প্ৰকাৰ নৃত্যৰ উদ্ভাৱক বুলি কোৱা হয় আৰু তাৰ ভিতৰত তাণ্ডৱ নৃত্যই সকলোতকৈ ভয়ানক।

বিভিন্ন সাহিত্যিক আৰু প্ৰত্নতাত্ত্বিক সমলৰ পৰা ভাৰতৰ বিভিন্ন অঞ্চলত শৈৱ ধৰ্মৰ অস্তিত্বৰ কথা জনা যায়। কুষাণ ৰজা ৱিম কদফাইসিসৰ মুদ্ৰাত 'মহীশ্বৰ' শব্দৰ উল্লেখ থকাৰ পৰা প্ৰমাণিত হৈছে যে তেওঁ শৈৱ আছিল। সংগম সাহিত্যতো শিৱক শ্ৰেষ্ঠ দেৱতা ৰূপে তুলি ধৰা হৈছে। পশ্চিম ভাৰতৰ ষষ্ঠ শতিকাৰ ৰজা যশোবৰ্মন, হূনৰজা মিহিৰকুল, বাকাটক বংশৰ ৰজাসকল, বল্লভীৰ মৈত্ৰিকসকল, পৰৱৰ্তী গুপ্তবংশীয় দেৱগুপ্ত আৰু বিষ্ণুগুপ্ত, মৌখাৰি শাসকসকল অনেকেই শৈৱধৰ্মী আছিল। হিউৱেন চাঙৰ বৰ্ণনাতো ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ শিৱ মন্দিৰৰ কথা উল্লেখ আছে। কাঞ্চীৰ পল্লৱসকলৰ ৰজা প্ৰথম মহেন্দ্ৰ বৰ্মন প্ৰথমে জৈন আছিল, কিন্তু পিছলৈ তেওঁ শৈৱ সন্ত অপ্পৰৰ প্ৰভাৱত শৈৱ ধৰ্ম গ্ৰহণ কৰিছিল। তাৰ পিছতেই কাঞ্চী শৈৱ ধৰ্মৰ প্ৰধান কেন্দ্ৰ হৈ পৰিছিল আৰু পল্লৱ ৰাজ্যৰ সৰ্বত্ৰে শিৱ মন্দিৰ নিৰ্মাণ কৰিছিল। প্ৰাচীন ভাৰতৰ বহু মুদ্ৰাতো শিৱৰ মূৰ্তি অংকিত হৈছে। শক ৰজা মোয়েস, পল্লৱ ৰজা গণ্ডোফাৰ্ণিছ, কুষাণ ৰজা ৱিম কদফাইসিস, কনিষ্ক, হুবিষ্ক,

বাসুদেৱৰ মুদ্ৰাত শিৱমূৰ্তি অংকিত আছে। শিৱৰ লগত ভালেকেইজন দেৱ-দেৱীক পূজা কৰা হৈছিল। এইসকল দেৱতাই একেলগে শিৱ দেৱমণ্ডলী গঠন কৰিছিল। শিৱৰ শক্তি পাৰ্বতীৰ বিশেষ গুৰুত্ব আছিল। তেওঁ শক্তিৰূপেও পূজিত। পাৰ্বতী সমস্ত শক্তিৰ উৎস, এই ধাৰণা ক্ৰমশঃ ভক্তসকলৰ মাজত বদ্ধমূল হয়। স্কন্দ আৰু গণেশ জননী হিচাপেও তেওঁ পৰিচয় লাভ কৰে। দুৰ্গা হ'ল পাৰ্বতীৰ উগ্ৰ বা ৰণচণ্ডী ৰূপ। সাতবাহন ৰাজ্যত পাৰ্বতী গৌৰী ৰূপেও উপাসিত হৈছিল। মৌৰ্য পৰৱৰ্তী কালত স্কন্দ উপাসনাইও জনপ্ৰিয়তা লাভ কৰিছিল। স্কন্দ শিৱৰ পুত্ৰৰূপে পৰিচিত আৰু তেওঁ দেৱ সেনাপতি আছিল। কাৰ্তিক বা কুমাৰ আৰু স্কন্দ একেজনেই বুলি বিশ্বাস কৰা হয়। তামিল দেশত স্কন্দৰ নাম আছিল 'মুৰুগ'। সংগম সাহিত্যৰ পৰা স্কন্দৰ মহিমা আৰু তেওঁৰ মন্দিৰৰ উল্লেখ পোৱা যায়। এই যুগত স্কন্দৰ তুলনাত গণেশৰ জনপ্ৰিয়তা অপেক্ষাকৃতভাৱে কম আছিল। শিৱৰ অনুচৰ বা গণদেৱৰ প্ৰধান বুলি তেওঁৰ নাম গণেশ। তেওঁৰ আন এটা নাম বিনায়ক।

খ্ৰীঃ ষষ্ঠ আৰু সপ্তম শতিকাত দক্ষিণ ভাৰতত শৈৱ ধৰ্মই বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। এই সময়ত দক্ষিণ ভাৰতত নয়নাৰ নামে এটি সাধক সম্প্ৰদায়ৰ উদ্ভৱ হৈছিল। বৈষ্ণৱ পন্থী আলৱাৰসকলৰ দৰেই নয়নাৰ পন্থীসকলেও তামিল সাহিত্যত ভক্তিবাদৰ সূচনা কৰিছিল। শৈৱ নয়নাৰসকলৰ মাজত অপ্পৰ, সম্বন্দৰ, মনিক্কবসগৰ, সুন্দৰ আছিল বিশেষ উল্লেখযোগ্য। নাম্বী আন্দাৰ নাম্বীয়ে শৈৱ স্তোত্ৰসমূহ তিৰোমাৰাই নামে একত্ৰে সংকলন কৰিছিল। নয়নাৰপন্থীসকলে তেওঁলোকৰ আৰাধ্য দেৱতাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সকলোৰে মাজত প্ৰেমৰ সম্পৰ্ক গঢ়াত গুৰুত্ব আৰোপ কৰিছিল। তেওঁলোকৰ বাবে প্ৰেম আৰু শিৱ পৰিপূৰক, অৰ্থাৎ প্ৰেমৰ পৰিণতি শিৱ। প্ৰকৃত পক্ষে এই নয়নাৰপন্থীসকলৰ ৰচনাৱলীৰ পৰাই কালক্ৰমত দক্ষিণ ভাৰতত শিৱসিদ্ধান্ত নামে এটি বিশেষ মতবাদ গঢ়ি উঠিছিল।

প্ৰাচীন ভাৰতত শৈৱ আৰু বৈষ্ণৱ হিন্দু ধৰ্মৰ এই দুটি সম্প্ৰদায়ৰ মাজত শান্তিপূৰ্ণ সম্পৰ্ক বজাই ৰাখিছিল; কাৰণ তেওঁলোকে জানিছিল যে পৃথকভাৱে ভিন্ন ভিন্ন দেৱতাৰ আৰধনা কৰিলেও প্ৰকৃত পক্ষে ভিন্ন নহয়, তেওঁলোক একেই ঈশ্বৰৰ ভিন্ন ৰূপ মাত্ৰ। শেষত ক'ব পাৰোঁ যে পৰম সহিষ্ণুতাৰ এই পটভূমিতেই শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ মাজত সমন্বয় সাধনৰ প্ৰয়াসৰ ফল হ'ল— ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ সমন্বয়ত ত্ৰিমূৰ্তিৰ কল্পনা। হৰি অৰ্থাৎ বিষ্ণু আৰু হৰ (শিৱ)ৰ সমন্বয়ে হৰিহৰৰ মূৰ্তি পূজা।

Scanned with CamScanner

৪.০৩ঃ তান্ত্ৰিকতাবাদৰ আৰম্ভ (The beginning of Tantricism)

তন্ত্ৰ শব্দটো মূল সংস্কৃত 'তন্' ধাতুৰ পৰা আহিছে; যাৰ অৰ্থ বিস্তৃত কৰা বা বহলোৱা। গতিকে সৰ্বতোমুখী আৰু ব্যাপক জ্ঞানৰ তত্ত্ব অনুসন্ধানেই তন্ত্ৰ। স্থূল জগতৰ বিভিন্ন উপাদানগত জ্ঞানৰ বিশ্লেষণৰ জৰিয়তে মানৱ মনৰ উৎকৰ্ষ সাধন তন্ত্ৰৰ অন্যতম লক্ষ্য। শিৱ আৰু শক্তি অৰ্থাৎ দেহ আৰু মনৰ মিলন বা একাত্মিকতাই তন্ত্ৰ বা তন্ত্ৰবাদৰ অন্যতম উদ্দেশ্য। শক্তি ৰহিত শিৱ স্থানু, শৱতুল্য। শিৱক গতিশীল, সঞ্চৰণশীল ক্ৰিয়াশীল কৰি তোলে— গতিশীল, সচলা, উত্তেজনাময়ী শক্তিয়ে। জগৎ ক্ৰিয়াশীল হয় শক্তিৰ বলত।

লিংগ আৰু যোনি পূজাৰ পৰম্পৰা উৰ্বৰতাৰ সৈতে সম্পৃক্ত। পৰৱৰ্তী কালত লিংগ আৰু যোনি প্ৰতীকত নৰত্বাৰোপ কৰি ক্ৰমে শিৱ আৰু দেৱী ৰূপ প্ৰদান কৰা হৈছে আৰু দুয়োগৰাকী দেৱ-দেৱীৰ আধাৰতেই শৈৱতত্ত্ব, শক্তিতত্ত্ব আৰু তান্ত্ৰিকতাবাদৰ সৃষ্টি হৈছে। শৈৱতত্ত্ব, দেৱীতত্ত্ব বা শক্তিবাদ তথা তান্ত্ৰিকতাবাদৰ পৰম্পৰাৰ উৎস বিচাৰি যাব লাগিব মহেঞ্জোদাৰো, হৰপ্পা অৰ্থাৎ সিন্ধু সভ্যতালৈ। হৰপ্পা সভ্যতাত অনেক সৰু সৰু মাটিৰ নাৰীমূৰ্তি পোৱা গৈছে; যিবোৰ পূজাত ব্যৱহাৰ হোৱা মাতৃমূৰ্তি বুলিয়েই পণ্ডিতসকলে অনুমান কৰিছে। এই মূৰ্তিসমূহ প্ৰায় নগ্ন, কটিদেশত মাত্ৰ এখন বস্ত্ৰ পৰিহিত আছে। এটি ছীল-মোহৰত সাতটা নাৰীমূৰ্তি দেখা গৈছে। 'সপ্তমাতৃ'ৰ ধাৰণা বোধহয় অবাস্তৱ নহয়। সিন্ধু উপত্যকাত অমূৰ্ত প্ৰতীকৰ মাধ্যমেৰে মাতৃদেৱীৰ উপাসনা প্ৰচলিত আছিল। জন মাৰ্শ্বালে ছিদ্ৰবিশিষ্ট বৃত্তাকাৰ, ক্ষুদ্ৰ আৰু অপেক্ষাকৃত বৃহৎ প্ৰস্তৰখণ্ডসমূহক যোনিৰ প্ৰতীক বুলি অভিমত ব্যক্ত কৰিছে। এই প্ৰতীকসমূহ তেওঁ মাতৃপূজাৰ নিদৰ্শন বুলি ব্যাখ্যা কৰিছে। অৱশ্যে এই ব্যাখ্যা সকলোৰে গ্ৰহণ কৰা নাই। বৈদিক সাহিত্যতো শৈৱতত্ত্ব, শক্তিতত্ত্ব আৰু তান্ত্ৰিকতাবাদৰ আভাস পোৱা যায়। আনকি লিংগ শব্দটোৰ উদ্ভৱ হৈছে— অষ্ট্ৰিক ভাষাৰ পৰা। আৰ্য আৰু অনাৰ্য উভয় সমাজতে লিংগ পূজা প্ৰচলিত আছিল। বিশ্ব সৃষ্টিৰ মূল কাৰণ শক্তি, শক্তি অদৃশ্য সত্ত্বা, দৃশ্যৰূপ প্ৰদান কৰা হৈছে নাৰীৰ মাধ্যমেৰে। শক্তিৰ আধাৰ হৈছে নাৰী বা দেৱী। দেৱী উপাসনা ভাৰতৰেই নহয়, পৃথিৱীৰ বিভিন্ন সমাজত প্ৰাচীনতম পৰম্পৰা।

তান্ত্ৰিকবাদ নিশ্চিতভাৱে অনা-আৰ্য সংস্কৃতিৰ অৱদান। ইয়াৰ সৈতে জড়িত যাদু-মন্ত্ৰ, মদ, মাংস, মৈথুন আদিৰ সহায়ত ধৰ্মীয় কৃত্য সম্পাদন কৰা পৰম্পৰা পৃথিৱীৰ বিভিন্ন আদিম সমাজত প্ৰচলিত আছিল বা হৈ আছে বুলি প্ৰমাণসহ টাইলাৰ,

Scanned with CamScanner

স্পেনছাৰ, ফ্ৰেজাৰ, হাৰ্টলেণ্ড আদি সমাজবিজ্ঞানীয়ে দেখুৱাইছে। আৰ্যসকলে এই পৰম্পৰাক দিছিল পদ্ধতিগত ৰূপ। একশ্ৰেণীৰ পণ্ডিতৰ মতে বেদৰ পৰাই তন্ত্ৰৰ উৎপত্তি হৈছে। বৈদিক মন্ত্ৰৰ মাজতেই তান্ত্ৰিক বীজমন্ত্ৰ নিহিত। ধৰ্মাৰ্থে ইন্দ্ৰিয় উপভোগৰ নিদৰ্শন বেদৰ নানা অংশত পোৱা যায়। পোৱা যায় মাদক দ্ৰব্য ব্যৱহাৰৰ উল্লেখ। যজ্ঞকালত বহুল ব্যৱহৃত সোমৰসৰ মাদকতা গুণৰ বিশেষ বৰ্ণনা বৈদিক সাহিত্যত আছে। তান্ত্ৰিকতাবাদৰ সাধাৰণ ধাৰণা অথৰ্ববেদত পোৱাৰ উপৰি ঋক্‌বেদতো পোৱা যায়।

তন্ত্ৰৰ আলোচ্য বিষয় প্ৰধানতঃ দুটা— দৰ্শন আৰু ক্ৰিয়া। তান্ত্ৰিক উপাসনাৰ ভাবধাৰাত সৰ্বোচ্চ দেৱতা এগৰাকী নাৰী। তেওঁ বিভিন্ন নামেৰে আৰু বিভিন্নৰূপেৰে কল্পিত; যেনে— মন্দৰ বাসিনী, কুমাৰী, কালী, কপালী, ভদ্ৰকালী, মহাকালী, চণ্ডী, কাত্যায়নী, কৰালী, শাকম্ভৰী, ব্ৰহ্মবিদ্যা, স্কন্ধমাতা ইত্যাদি। তান্ত্ৰিক উপাসনাৰ বৈশিষ্ট্য হ'ল, যেনে— মূলমন্ত্ৰ, বীজমন্ত্ৰ, মুদ্ৰা, আসন, ন্যাস, দেৱতাৰ প্ৰতীক ৰূপ বৰ্ণ ৰেখাত্মক মন্ত্ৰ, পূজাত মদ্য, মাংস, মৎস্য, মুদ্ৰা আৰু মৈথুনৰ এই পঞ্চ 'ম'-কাৰৰ ব্যৱহাৰ। কাৰ্য সিদ্ধিৰ বাবে মাৰণ, উচাটন, বশীকৰণ, প্ৰভৃতি ষটকৰ্মৰ আশ্ৰয় গ্ৰহণ আৰু যোগানুষ্ঠান।

তন্ত্ৰ মতে যি বৰ্ণমালা দি শব্দ গঠিত হয় তাৰ প্ৰতিটি বৰ্ণই মাতৃ হিচাপে কল্পিত। স্বচ্ছন্দ তন্ত্ৰত সপ্ত মাতৃকা আৰু মহালক্ষ্মী পোৱা যায়। বামকেশ্বৰ তন্ত্ৰত থকা আঠটা বৰ্ণৰ দেৱীসকলৰ নাম হ'ল— বশিনী, কামেশ্বৰী, মোদিনী, বিমলা, অৰুণা, জয়িনী, সৰ্বেশ্বৰী আৰু কালী। মাতৃৰ উপৰি তান্ত্ৰিক ধাৰাত শক্তি বা মহাদেৱী বিভিন্ন দহপ্ৰকাৰে অভিব্যক্ত হয়। শক্তিৰ এই দহপ্ৰকাৰ অভিব্যক্তিৰ নামেই 'দশমহাবিদ্যা'; যেনে— কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমাৱতী, বগলা, মাতংগী আৰু কমলা। দেৱী কালীৰ প্ৰধান ৰূপ দুই প্ৰকাৰ— দক্ষিণ কালী আৰু ৰাম কালী। দক্ষিণ কালীৰ পূজাৰ অধিকাৰ সকলোৰে আছিল, কিন্তু সেই দেৱীৰ 'ৰহস্য পূজাৰ' একমাত্ৰ অধিকাৰ তান্ত্ৰিকসকলৰেই।

তান্ত্ৰিক সাধনাৰ তিনিটা ধাৰা— পশু, বীৰ আৰু দিব্য। পশু বুলিলে জীৱাত্মাক বুজায়। যি কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য এই ছয় ৰিপুৰ অধীন। নৈতিক প্ৰচেষ্টাৰ দ্বাৰা পশু বীৰ পৰ্যায়লৈ ৰূপান্তৰিত হয়। সৎপথ অৱলম্বন কৰি বীৰোচিত গুণ অৰ্জন কৰা একান্ত প্ৰয়োজন। বীৰ পৰ্যায়ত মানুহে দক্ষিণাচাৰ বা বামাচাৰ দীক্ষা গ্ৰহণৰ অধিকাৰী হয়। দক্ষিণাচাৰী পৰ্যায়ত জ্ঞান আৰু ভক্তিমাৰ্গৰ চৰ্চা কৰা হয়। বামাচাৰ পৰ্যায়ত শক্তিমন্ত্ৰৰে দীক্ষিত হোৱাটো বাধ্যতামূলক। দিব্য

Scanned with CamScanner

পৰ্যায় আৰু উন্নত স্তৰ য'ত ভক্তই অৰ্জিত গুণাৱলী তেওঁৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি। আচলতে পশুৰ স্তৰৰ পৰা মানুহক দিব্য স্তৰলৈ ৰূপান্তৰিত কৰাই তন্ত্ৰৰ উদ্দেশ্য।

তন্ত্ৰৰ আৰু এটা বৈশিষ্ট্য হ'ল গুৰুবাদ। সাধকে সৰ্বদা মনত ৰখা উচিত যে গুৰু স্বয়ং ঈশ্বৰ, শিৱ অথবা শক্তি। শিষ্যক গুৰুৱে সৰ্বতোপ্ৰকাৰে পৰিচালনা কৰে। গুৰুৰ যোগ্যতাই বিচাৰ্য বিষয়, জাত-কুল নহয়। তান্ত্ৰিক পন্থাত নাৰীও গুৰু হ'ব পাৰে। তন্ত্ৰত দীক্ষা মানেই পূৰ্ণজন্ম। দীক্ষা কেইবাপ্ৰকাৰো, যি শিষ্যৰ যোগ্যতা আৰু মানসিকতাৰ ওপৰত নিৰ্ভৰশীল। গুণগতভাৱে দীক্ষা তিনিপ্ৰকাৰ— শাম্ভৱী, শাক্ত আৰু মন্ত্ৰ দীক্ষা। তন্ত্ৰত মন্ত্ৰৰ স্থান খুবেই গুৰুত্বপূৰ্ণ। ধ্বনিৰ প্ৰকাশ বৰ্ণ বা অক্ষৰে কৰে, সেয়ে বৰ্ণ বা অক্ষৰেই বীজ। হ্ৰীং, ক্ৰীং, ঐং, ক্লীং প্ৰভৃতি হ'ল বীজমন্ত্ৰ। সাধকসকলৰ কাৰণে বীজমন্ত্ৰ জপ কৰাটো অতি আৱশ্যক।

বামাচাৰী আৰু দক্ষিণাচাৰী তন্ত্ৰৰ ভিতৰত বামাচাৰী তন্ত্ৰইহে পঞ্চনিষেধ বস্তুক ব্যৱহাৰ কৰাৰ নিৰ্দেশ দিয়ে। এই পঞ্চনিষেধ দ্ৰব্যই হ'ল পঞ্চ 'ম'কাৰ। মৈথুন, মদ্য, মাংস, মৎস্য আৰু মুদ্ৰা। দক্ষিণাচাৰী তন্ত্ৰই সাধনা, আত্মিক শৃংখল আৰু শুদ্ধ আচৰণত গুৰুত্ব দিয়ে। বামাচাৰীসকলৰ মতে— মুদ্ৰা শস্যৰ প্ৰতীক, মৎস্য প্ৰজননৰ প্ৰতীক, মাংস আৰু খাদ্য সৃষ্টিৰ উপাদান কাৰকৰ প্ৰতীক। প্ৰজননৰ প্ৰতীক হিচাপে মৎস্য প্ৰাচীন কালৰ পৰাই পৃথিৱীৰ সৰ্বত্ৰই মাতৃদেৱীৰ লগত সম্পৰ্কিত। মদ্য যি সৰ্বত্ৰই জীৱনী শক্তি হিচাপে কল্পিত আৰু বিভিন্ন ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ লগত জড়িত। বেদত সোমৰসৰ গুণাগুণ বৰ্ণিত হৈছে। জ্ঞান আৰু ভক্তিৰ সমন্বয়ত জীৱাত্মা আৰু পৰমাত্মাৰ, প্ৰকৃতি আৰু পুৰুষৰ মিলনৰ প্ৰতীকী ৰূপ স্ত্ৰী আৰু পুৰুষৰ মিলন - জীৱাত্মা-পৰমাত্মাৰ মিলন বা মৈথুনৰ দুৰ্লভ ব্ৰহ্মজ্ঞানৰ সুধাপান কৰাই মৈথুন।

তন্ত্ৰ দুভাগত বিভক্ত— আগম আৰু যামল। অৱশ্যে পিছলৈ হিন্দু তন্ত্ৰ আৰু বৌদ্ধ তন্ত্ৰ এই দুটা ভাগতো তন্ত্ৰৰ শ্ৰেণীবিভাজন দেখুওৱা হয়। হিন্দু আৰু বৌদ্ধ তন্ত্ৰৰাজি 'কৌলাচাৰ', 'বামাচাৰ', 'সহযান', 'ব্ৰজযান' আদি শাখাতো বিভক্ত। কিছু পৰিমাণে উদাৰপন্থী তান্ত্ৰিক পন্থৰ মুখ্য কেন্দ্ৰকেইটা হৈছে— কামৰূপ, পূৰ্ণগিৰি, উড্ডিয়ান আৰু জালপুৰ। তান্ত্ৰিকতন্ত্ৰৰ বিষয়ে অনুসন্ধান কৰোঁতাসকলৰ সৰহভাগেই বিশ্বাস কৰে যে তন্ত্ৰবাদ স্থানীয় পদ্ধতি নহয়, ই বিদেশী, অৰ্থাৎ বিদেশী সমলৰ আধাৰতহে তন্ত্ৰবাদৰ উদ্ভৱ আৰু বিকাশ হৈছে। তেওঁলোকৰ মতে তন্ত্ৰ আৰু তন্ত্ৰবাদৰ ধাৰণা আহিছে চীন, মহাচীন, তিব্বত, নেপাল, ভূটান, পাৰস্য আৰু দক্ষিণ ভাৰতৰ

Scanned with CamScanner

অনা-আৰ্য অধ্যুষিত অঞ্চলসমূহৰ পৰা। আনহাতে কামৰূপ কামাখ্যাই তন্ত্ৰবাদৰ মূল আৰু অন্যতম প্ৰধান কেন্দ্ৰ। কামাখ্যাৰ পৰাহে তন্ত্ৰবাদে প্ৰব্ৰজন কৰিছে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চললৈ। ইয়াৰ বাহিৰেও চীন, মহাচীন, নেপাল, ভূটান, তিব্বত আদিলৈও তান্ত্ৰিকতাবাদৰ বিস্তাৰ হৈছে কামৰূপ কামাখ্যাৰ পৰা। বিদেশৰ গৱেষকসকলেও এই অনুমানটো স্বীকাৰ কৰিছে। তন্ত্ৰৰ মতেও কামৰূপ কামাখ্যাই তান্ত্ৰিকতাবাদৰ উৎস ভূমি আছিল।

০ ০ ০

Scanned with CamScanner